# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 01-01-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত প্ৰগতিৰ ৫০ সংখ্যক বৈঠকত অধ্যক্ষতা কৰে।

২। প্ৰধানমন্ত্ৰী মোদীয়ে পৰহিলৈ নতুন দিল্লীত ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰাহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব।

৩। কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি ওড়িশাত ৩২৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ আৰু ৬-লেনযুক্ত নাছিক-চোলাপুৰ কৰিড'ৰ প্ৰকল্পৰ বাবে অনুমোদন দিয়ে।

৪। ইংৰাজী নৱবৰ্ষৰ আজি পহিলা দিন। সমগ্ৰ বিশ্বই কালি মাজনিশা ১২ বজাৰ লগে লগে উলহ-মালহেৰে ২০২৬ বৰ্ষক আদৰিছে।

*আৰু*

৫। ভাৰতে কালি ওড়িশা উপকূলত দুটাকৈ প্ৰলয় ক্ষেপনাস্ত্ৰৰ যৌথ উৎক্ষেপন সফলতাৰে সম্পন্ন কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত "সক্ৰিয় শাসন ব্যৱস্থা আৰু সময়মতে কাৰ্যকৰীকৰণৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ বহু মাধ্যম সমন্বিত মঞ্চ PRAGATIৰ ৫০ সংখ্যক বৈঠকত অধ্যক্ষতা কৰে। প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ নেতৃত্বত সহযোগিতামূলক, ফলপ্ৰসূ শাসন ব্যৱস্থাৰ দশকজোৰা যাত্ৰাত ই এটি উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। বৈঠকত শ্ৰীমোদীয়ে পথ, ৰে'লৱে, শক্তি, জলসম্পদ, কয়লাকে ধৰি বিভিন্ন খণ্ডৰ পাঁচটা জটিল আন্তঃগাঁথনি প্ৰকল্পৰ পৰ্যালোচনা কৰে। পাঁচখন ৰাজ্যক সামৰি লোৱা এই প্ৰকল্পৰ একত্ৰিত ব্যয় ৪০ হাজাৰ কোটি টকাতকৈও অধিক।

প্ৰধানমন্ত্ৰীয়ে কয় যে বিগত দশকত প্ৰগতি নেতৃত্বাধীন পৰিৱেশতন্ত্ৰই ৮৫ লাখ কোটিতকৈও অধিক টকাৰ প্ৰকল্প ত্বৰান্বিত কৰাত সহায় কৰিছে। তেওঁ বিশেষভাৱে গুৰুত্ব দিয়ে যে, সংস্কাৰৰ গতি বজাই ৰাখিবলৈ আৰু বিতৰণ নিশ্চিত কৰিবলৈ প্ৰগতি অতি প্ৰয়োজনীয়। তেওঁ ৰাজ্যসমূহক মুখ্য সচিবৰ পৰ্যায়ত বিশেষকৈ সামাজিক খণ্ডৰ বাবে প্ৰগতি সদৃশ ব্যৱস্থাসমূহক প্ৰতিষ্ঠানিক ৰূপ দিবলৈ উৎসাহিত কৰে। তেওঁ লগতে উল্লেখ কৰে যে, ৰাষ্ট্ৰীয় স্বাৰ্থত দীৰ্ঘদিনীয়া প্ৰকল্পসমূহ সম্পূৰ্ণ কৰা হৈছে।

ইপিনে পিএম-শ্ৰী আঁচনিৰ পৰ্যালোচনাকালত প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে গুৰুত্ব আৰোপ কৰি কয় যে, আঁচনিখন সামগ্ৰিক আৰু ভৱিষ্যতমুখী বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় মাপকাঠী হ'ব লাগিব। তেওঁ কয় যে কাৰ্যকৰীকৰণ আন্তঃগাঁথনিকেন্দ্ৰিক নহয়, ফলাফলমুখী হোৱা উচিত। তেওঁ সকলো মুখ্য সচিবক পিএম-শ্ৰী আঁচনিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। তেওঁ লগতে কয় যে, ৰাজ্য চৰকাৰৰ অন্যান্য বিদ্যালয়ৰ বাবে পিএম-শ্ৰী বিদ্যালয়সমূহক মান-নিৰ্ধাৰক হিচাপে গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা চলাব লাগিব। তেওঁ লগতে চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলে পিএম-শ্ৰী বিদ্যালয়সমূহৰ কাম-কাজৰ মূল্যায়নৰ বাবে ক্ষেত্ৰ পৰিদৰ্শনৰ পৰামৰ্শ আগবঢ়ায়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ নতুন দিল্লীত ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপৰাহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। ঊনবিংশ শতিকাৰ শেষ ভাগত আৱিষ্কৃত পিপৰাহৱা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। এই অৱশেষৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন আৰু ৰাজহুৱা প্ৰদৰ্শনীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বুদ্ধৰ শিকণিসমূহত নিহিত শান্তি, কৰুণা আৰু জ্ঞানৰ সাৰ্বভৌম প্ৰমূল্যৰাজি প্ৰসাৰৰ নিৰন্তৰ প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ে এই প্ৰদৰ্শনীক দেশৰ সাংস্কৃতিক আৰু কূটনৈতিক ইতিহাসৰ এটা উল্লেখযোগ্য ক্ষণ বুলি অভিহিত কৰিছে। বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এই অৱশেষক বিশেষ সন্মান দি আহিছে। সাংস্কৃতিক মন্ত্ৰালয়ে পদ্মালোকঃ আধ্যাত্মিকভাৱে জাগ্ৰত ব্যক্তিৰ অৱশেষ নামেৰে আয়োজন কৰা এই সাস্কৃতিক প্ৰদৰ্শনীত পিপৰাহৱা অৱশেষৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই কালি ওড়িশাত ৩২৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণ আৰু ৬-লেনযুক্ত নাছিক-চোলাপুৰ কৰিড'ৰ প্ৰকল্পৰ বাবে অনুমোদন দিয়ে। অৰ্থনৈতিক পৰিক্ৰমা বিষয়ক কেন্দ্ৰীয় মন্ত্ৰীসভাই মহাৰাষ্ট্ৰত ৬-লেনযুক্ত নাছিক-চোলাপুৰ-আক্কালকোট কৰিড'ৰ প্ৰকল্পত অনুমোদন দিছে। ১৯ হাজাৰ ১৪২ কোটি টকা মূলধনী ব্যয়েৰে ৩৭৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ঘাইপথটো নিৰ্মাণ কৰা হ'ব। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে এই প্ৰকল্পই কুৰ্নুলক সংযোগ কৰা নাছিক, অহিল্যানগৰ আৰু চোলাপুৰৰ লেখিয়া গুৰুত্বপূৰ্ণ নগৰসমূহত যোগাযোগ ব্যৱস্থা উন্নত কৰিব।

এই ৬-লেনযুক্ত ঘাইপথ প্ৰকল্পই যাত্ৰাৰ সময় আনুমানিক ১৭ ঘণ্টা হ্ৰাস কৰিব। এই প্ৰকল্পই ২৫১ লাখ ৬ হাজাৰ প্ৰত্যক্ষ নিয়োগৰ লগতে ৩১৩ লাখ ৮৩ হাজাৰ পৰোক্ষ নিয়োগ সুযোগ প্ৰদান কৰিব।

কেন্দ্ৰীয় মন্ত্ৰীসভাই লগতে ওড়িশাৰ ৩২৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সম্প্ৰসাৰণৰ বাবেও অনুমোদন দিয়ে। এই প্ৰকল্পৰ বাবে এহেজাৰ ৫২৬ কোটি ২১ লাখ টকা ব্যয় কৰা হ'ব। শ্ৰীবৈষ্ণৱে কয়, যে ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ প্ৰকল্পৰ জৰিয়তে যাতায়াত অধিক দ্ৰুত, সুৰক্ষিত আৰু অধিক নিৰ্ভৰযোগ্য কৰি তুলিব। মন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াৰ জৰিয়তে গজপতি, ৰায়গড় আৰু কোৰাপুত জিলাকেইখন অধিক লাভান্বিত হ'ব। উন্নত পথ যোগাযোগ ব্যৱস্থাই সথানীয় যোগাযোগ, উদ্যোগ, শিক্ষা প্ৰতিষ্ঠান আৰু পৰ্যটন কেন্দ্ৰসমূহৰ বাবে বজাৰ, স্বাস্থ্য যতন আৰু নিয়োগ সুযোগ প্ৰদান কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ইংৰাজী নৱবৰ্ষৰ আজি পহিলা দিন। সমগ্ৰ বিশ্বই কালি মাজনিশা ১২ বজাৰ লগে লগে ২০২৫ বৰ্ষক বিদায় দি ২০২৬ বৰ্ষক আদৰিছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লোকসকলে মাজনিশা ১২ বজাৰ লগে লগে ফটকা, আটছবাজী ফুটাই উলহ-মালহেৰে এটা নতুন বছৰত আদৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২০২৬ বৰ্ষৰ প্ৰাক্-ক্ষণত দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে নতুন বৰ্ষই নতুন শক্তি আৰু ইতিবাচক পৰিৱৰ্তনক সূচায় আৰু নতুন সংকল্পৰে আগবাঢ়ি যোৱাৰ সুযোগ দিয়ে। শ্ৰীমতী মুৰ্মুৱে নতুন বছৰটোত সকলোকে ৰাষ্ট্ৰৰ উন্নয়ন, সমাজৰ একতা তথা পৰিৱেশ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ২০২৬ বৰ্ষটোৱে সকলোৰে জীৱনলৈ শান্তি, সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনি এখন শক্তিশালী আৰু সমৃদ্ধ দেশ গঢ়াৰ শক্তি প্ৰদান কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ – চি বি এছ্ ইয়ে ইয়াৰ অধীনৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সংশোধিত দিন-বাৰ ঘোষণা কৰিছে। চি বি এছ্ ইয়ে প্ৰকাশ কৰা মতে দশম শ্ৰেণীৰ পৰীক্ষা ৩ মাৰ্চৰ পৰিৱৰ্তে ১১ মাৰ্চত আৰম্ভ হ'ব। একেদৰে দ্বাদশ শ্ৰেণীৰ পৰীক্ষা নতুন সূচী অনুযায়ী ৩ মাৰ্চৰ পৰিৱৰ্তে ১০ এপ্ৰিলৰ পৰা অনুষ্ঠিত হ'ব। প্ৰশাসনিক কাৰণত পৰীক্ষাৰ সূচী সলনি কৰা হৈছে বুলি চি বি এছ্ ইয়ে প্ৰকাশ কৰিছে। পৰিষদে লগতে বিদ্যালয়সমূহক সংশ্লিষ্ট শিক্ষাৰ্থী আৰু অভিভাৱকসকলক এই বিষয়ে অৱগত কৰিবলৈ আহ্বান জনাইছে।

০০০০০

ভাৰতে কালি দ্ৰুতগতিত একেৰাহে ওড়িশা উপকূলত দুটা 'প্ৰলয় ক্ষেপণাস্ত্ৰৰ যৌথ উৎক্ষেপণ সফলতাৰে সম্পন্ন কৰে। ব্যৱহাৰকাৰী মূল্যায়ন পৰীক্ষাৰ অংশ হিচাপে ক্ষেপণাস্ত্ৰকেইটা নিক্ষেপ কৰা হয়। প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা DRDOই সম্পন্ন কৰা এই সম্পৰীক্ষাৰ সময়ত বায়ুসেনা আৰু সেনাৰ বিষয়া, উদ্যোগৰ প্ৰতিনিধি তথা উন্নয়ন-আৰু-উৎপাদনৰ অংশীদাৰসকল ইয়াৰ সাক্ষীৰূপে উপস্থিত থাকে। 'প্ৰলয়' ক্ষেপণাস্ত্ৰ হৈছে পৃষ্ঠৰ পৰা পৃষ্ঠলৈ, কম দূৰত্বৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰ যাৰ আঘাত কৰিব পৰা ক্ষমতা প্ৰায় ১৫০ কিলোমিটাৰৰ পৰা ৫০০ কিলোমিটাৰলৈ বিস্তাৰিত। নিখুঁততা নিশ্চিত কৰা তথা অত্যাধুনিক নিৰ্দেশনা আৰু নেভিগেচন ইত্যাদিৰ সকলো দিশেৰে ইয়াক থলুৱাভাৱে সমৃদ্ধ কৰি তোলা হৈছে।

০০০০০

চৰকাৰে তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ ১০০ মিলিগ্ৰামৰ অধিক নিমেছুলাইডযুক্ত সকলো ঔষধৰ প্ৰস্তুত, বিক্ৰী আৰু বিতৰণৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰিছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে এটা নিৰ্দেশযোগে এই কথা প্ৰকাশ কৰিছে। ঔষধৰ কাৰিকৰী পৰামৰ্শদাতা পৰিষদৰ পৰামৰ্শ অনুসৰি ঔষধ আৰু কছমেটিক্চ আইন ১৯৪০ৰ ২৬ **ক** ধাৰাৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰা হৈছে। অধিক পৰিমাণে নিমেছুলাইডযুক্ত ঔষধ সেৱনে মানুহৰ জীৱনলৈ বিপদ নমাই আনিব পাৰে বুলি নিৰ্দেশটোত উল্লেখ কৰা

হৈছে। নিৰ্দেশটোত লগতে নিমেছুলাইডৰ পৰিৱৰ্তে বজাৰত উপলব্ধ আন নিৰাপদ বিকল্প ঔষধ সেৱন কৰিবলৈ জনসাধাৰণক আহ্বান জনোৱা হৈছে।

০০০০০

মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, এম জি এনৰেগাত নিয়োজিত শ্ৰমিকসকলৰ কাম নতুনকৈ ৰূপায়ণ কৰা বিকশিত ভাৰত - গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আৰু জীৱিকা অভিযান আইন, ভি বি - জি ৰাম জি ২০২৫ৰ অধীনত সম্পূৰ্ণ সুৰক্ষিত বুলি কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। সমগ্ৰ দেশৰে এম জি এনৰেগাত সেৱা আগবঢ়োৱা প্ৰতিনিধিসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মত-বিনিময় অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। আলোচনা কালত সকলোৱে নতুন আইনখনক স্বাগতম জনায়। শ্ৰমিকসকলৰ বেতন সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত শ্ৰীচৌহানে নতুন পৰিকাঠামোৰ ভিতৰত বেতন বৃদ্ধিৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে কয়, যে প্ৰশাসনিক মুৰব্বীৰ অধীনত চিলিং ব্যয় পূৰ্বৰ ৬ৰ পৰা ৯ শতাংশলৈ বৃদ্ধি কৰা হৈছে। মত বিনিময় অনুষ্ঠানত দেশৰ ৪৫ হাজাৰৰো অধিক স্থানৰ পৰা ২ লাখৰো অধিক এম জি এনৰেগাৰ কৰ্মীসকলে অংশগ্ৰহণ কৰে।

০০০০০

**সমাপ্ত**